অধ্যায় ৬ ঃ সন্ধি, সমাস, বচন আৰু লিংগ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সন্ধি
৬.৪ সমাস
৬.৫ বচন
৬.৬ লিংগ
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ সন্ধিৰ বিশেষত্ব আৰু অসমীয়াত প্রচলিত সংস্কৃত সন্ধিৰ বিষয়ে জানিব পাৰিব
- সমাস কি, সমাসৰ ভাগ আৰু সমাসৰ দ্বাৰা ভাষাৰ ভিন্ন ভংগী বুজি পাব
- বচন কি, বচন কেইপ্রকাৰ, বচন পৰিৱর্তনৰ উপায় আদিৰ ধাৰণা লাভ কৰিব
- লিংগ মানে কি, ব্যাকৰণত লিংগৰ গুৰুত্ব কি, লিংগ কেইপ্রকাৰ আৰু লিংগ পৰিৱর্তনৰ দিশবোৰ বুজিব পাৰিব।

৬.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি ভাষাৰ প্রাথমিক ৰূপ ধ্বনিৰ বিষয়ে, ৰূপতত্ত্বৰ প্রয়োজনীয় দুটা উপাদান— বিভক্তি আৰু প্রত্যয়ৰ বিষয়ে, অসমীয়া ভাষাৰ বাক্যৰীতি তথা অসমীয়া ভাষাৰ পদ সম্পর্কে সাধাৰণ আভাস পাই আহিছে। এই অধ্যায়ত সন্ধি, সমাস, বচন আৰু লিংগৰ বিষয়ে ধাৰণা লাভ কৰিব। সন্ধি শব্দ-গঠন প্রক্রিয়াৰ বিষয় যদিও ধ্বনি পৰিৱর্তনৰ মাজেৰে দুটা শব্দ বা ৰূপৰ মাজত সন্ধি হয়। সমাস এক অর্থত বাক্যতত্ত্বৰে ভিতৰুৱা। বচন আৰু লিংগ ৰূপতত্ত্বৰ গুৰুত্বপূর্ণ বিষয়। চাৰিওটা বিষয়ৰ স্পষ্ট ধাৰণাই শুদ্ধভাৰে শব্দ প্রয়োগ, সংক্ষিপ্তকৈ ৰসপূর্ণ বাক্য নির্মাণ আৰু বচন লিংগৰ অর্থক শুদ্ধ ৰূপত প্রয়োগ কৰিবলৈ শিকাব পাৰে। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৬.৩ সন্ধি

'সন্ধি' মানে মিলন হোৱা বা লগ হোৱা। দুটা বর্ণ বা আখৰৰ মিলনেই সন্ধি। দুটা শব্দ মিলি এটা শব্দ হওঁতে প্ৰথম শব্দৰ শেষ ধ্বনি আৰু দ্বিতীয় শব্দৰ প্ৰথম ধ্বনিৰ মিলন ঘটি যি পৰিৱৰ্তন হয় তাকে সন্ধি বোলা হয়।

সংস্কৃত ভাষাত সন্ধিৰ প্ৰয়োগ বেছি। অসমীয়া ভাষাত বহু সংস্কৃত শব্দৰ ব্যৱহাৰ আছে বাবে সংস্কৃত সন্ধিৰ বিষয়ে জানিব লগা হয়। অসমীয়াত দুটা শব্দৰ মাজত হোৱা সন্ধি নাই। অসমীয়া সন্ধি মূলত শব্দ বা ধাতুৰ পাছত প্ৰত্যয় বা বিভক্তি যোগ হওঁতেহে দেখা যায়।

- **অসমীয়া সন্ধি ঃ** নামশব্দ বা ধাতুৰ পাছত প্ৰত্যয় বা বিভক্তি যোগ হ'লে নামশব্দ বা ধাতুৰ শেষ ধ্বনি আৰু প্ৰত্যয় বা বিভক্তিৰ প্ৰথম ধ্বনিৰ মাজত অসমীয়া সন্ধি হয়। অসমীয়া সন্ধি হওঁতে বেছিভাগ ক্ষেত্ৰতে 'ৱ' বা 'য়' ধ্বনিৰ আগম ঘটে।

  অসমীয়া সন্ধিৰ সাধাৰণ নিয়মসমূহ এনেধৰণৰ ঃ

  - নামশব্দ বা ধাতুৰ শেষৰ স্বৰধ্বনি প্ৰত্যয়-বিভক্তিৰ আৰম্ভণিৰ স্বৰৰ সৈতে একে হ'লে এটা লোপ পায় —

    ল'ৰা + আলি > ল'ৰালি

  - নামশব্দ/ধাতুৰ ই/ও লগত প্ৰত্যয়/বিভক্তিৰ ও/এ লগ লাগিলে 'ই' ৰ ঠাইত য় আৰু 'ও' ৰ ঠাইত ৱ হয়। যেনে —

    দুই + ও > দুয়ো

    শো + এ > শোৱে

    হৰি + এ > হৰিয়ে

  - নামশব্দ/ধাতুৰ 'অ' বা 'আ' -ৰ লগত প্ৰত্যয়/বিভক্তিৰ আ লগ লাগিলে নামশব্দ/ধাতুৰ অ/আ - ৰ ঠাইত 'ও' পোৱা যায় —

    খা + আ > খোআ (খোৱা)

    ল + আ > লোআ (লোৱা)

  দেখা গ'ল, ইয়াতো 'ৱ' ৰ আগম ঘটি খোৱা আৰু লোৱা ৰূপ পায়

  - ই/ঈ + অ/আ, হ'লে 'অ/আ- ৰ ঠাইত 'য়' হয় —

    বুধি + অক > বুধিয়ক

    ই + আক > ইয়াক

    ওপৰৰ আটাইকেইটা উদাহৰণত কেৱল স্বৰধ্বনিৰ লগত স্বৰধ্বনিৰ সন্ধিহে দেখা গ'ল। এনেদৰে স্বৰধ্বনিৰ লগত স্বৰধ্বনিৰ মিলনক স্বৰসন্ধি বোলে।

  - যেতিয়া নামশব্দ/ধাতুৰ শেষত থকা ব্যঞ্জন বর্ণৰ লগত প্ৰত্যয় বিভক্তিৰ স্বৰধ্বনিৰ সন্ধি হয় তেতিয়া স্বৰধ্বনিটো ব্যঞ্জনত লগ লাগে। যেনে —

    ধান + অনি > ধাননি

নাচ + অনি > নাচনী

পেট + উৱা > পেটুৱা

ভোগ + হ'লে > ভুগিলে।

➢ সংখ্যাবাচক শব্দৰ শেষত ব্যঞ্জন নির্দিষ্টতাবাচক শব্দৰ আৰম্ভণিৰ ব্যঞ্জনৰ লগ লাগিলে কেতিয়াবা সংখ্যাবাচক শব্দৰ ব্যঞ্জন লোপ পায় আৰু কেতিয়াবা সংখ্যাবাচক শব্দৰ অন্ত্য ব্যঞ্জনত -ও- যোগ হয় —

এক + টা > এটা, দুই + টা > দুটা

দহ + টা > দহোটা, সাত + টা > সাতোটা

● **অসমীয়াত প্রচলিত সংস্কৃত সন্ধি ঃ** সংস্কৃত সন্ধি তিনি প্রকাৰৰ —

➢ স্বৰসন্ধি (স্বৰ + স্বৰ)

➢ ব্যঞ্জনসন্ধি (স্বৰ + স্বৰ/ব্যঞ্জন)

➢ বিসর্গসন্ধি (বিসর্গ + স্বৰ + ব্যঞ্জন)

➢ *স্বৰসন্ধি ঃ* দুটা স্বৰধ্বনিৰ মাজৰ সন্ধিক স্বৰসন্ধি বোলে।

❍ দুটা ***সবর্ণ***ৰ মাজত সন্ধি হ'লে দুয়ো মিলি ***দীর্ঘ*** হয়। যেনে — (অ + অ = আ, অ/আ + অ/আ = আ, ই/ঈ + ই/ঈ = ঈ, উ/ঊ + উ/ঊ = ঊ)

মৃগ + অঙ্ক > মৃগাঙ্ক

আশা + অতীত > আশাতীত

মুনি + ইন্দ্র > মুনীন্দ্র

মহী + ইন্দ্র > মহীন্দ্র

কটু + উক্তি > কটূক্তি

❍ অ-সবর্ণ আৰু ই-সবর্ণ মিলি 'এ' হয়। যেনে —

নৰ + ইন্দ্র > নৰেন্দ্র

দুর্গা + ঈশ্বৰ > দুর্গেশ্বৰ

❍ অ-সবর্ণ আৰু উ-সবর্ণ মিলি 'ও' হয় (অ/আ + উ/ঊ = ও) —

মহা + উৎসৱ > মহোৎসৱ

❍ অ-সবর্ণ আৰু ঋ মিলিলে 'ঋ' ৰেফলৈ ৰূপান্তৰ হয় আৰু পিছৰ ধ্বনিৰ লগ লাগে—

মহা + ঋষি > মহর্ষি

❍ প্রথম শব্দৰ শেষত ই, ঈ থাকিলে পাছৰ শব্দৰ আৰম্ভণিত, এই দুয়ো স্বৰৰ বাহিৰে আন স্বৰ থাকিলে ই, ঈ -ৰ ঠাইত 'য়' হয়। যেনে—

প্রতি + আশা > প্রত্যাশা

এনেধৰণৰ নিয়মৰ মাজেৰে সংস্কৃতৰ স্বৰসন্ধি সাধিত হয়

➢ *ব্যঞ্জনসন্ধি ঃ* ব্যঞ্জনধ্বনিৰ লগত স্বৰ বা ব্যঞ্জনধ্বনি/স্বৰধ্বনিৰ লগত ব্যঞ্জনধ্বনিৰ সন্ধি হ'লে তাক ব্যঞ্জনসন্ধি বোলা হয়। যেনে —



সবর্ণ ঃ

অ, আ
ই, ঈ
উ, ঊ
ঋ, ৠ

সংস্কৃতত এই যোৰবোৰক সবর্ণ বোলে।

দীর্ঘ ঃ সংস্কৃতৰ স্বৰবর্ণবোৰৰ সবর্ণ যোৰাবোৰ এটা হ্রস্ব আনটো দীর্ঘ।

দিক + অন্ত > দিগন্ত

উৎ + গতি > উদ্‌গতি

দিক + বিজয় > দিগ্বিজয়

উৎ + নতি > উন্নতি

সম + গীত > সঙ্গীত

শম + কৰ > শঙ্কৰ

সম + যত > সংযত

উৎ + ল্লাস > উল্লাস

ব্যঞ্জনসন্ধি স্বৰসন্ধিতকৈ জটিল। ব্যঞ্জনসন্ধি সাধন হওঁতে কিছুমান জটিল নিয়মৰ মাজেৰে সম্পন্ন হয়।

➢ *বিসর্গ সন্ধি ঃ* প্রথম শব্দৰ শেষৰ বিসর্গ (ঃ) ৰ লগত স্বৰ বা ব্যঞ্জনধ্বনিৰ সন্ধি হ'লে তাক বিসর্গ সন্ধি বোলা হয়। যেনে -

ততঃ + অধিক > ততোধিক (বিসর্গ + অ = ও)

পুৰঃ + ভাগ > পুৰোভাগ

তেজঃ + ময় > তেজোময়

দুঃ + গতি > দুর্গতি

পুনঃ + উক্তি > পুনৰুক্তি, ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া সন্ধি কেনেদৰে সাধিত হয়?

.....

.....

প্রশ্ন নং ২ ঃ সংস্কৃত সন্ধি কেই প্রকাৰৰ?

.....

৬.৪ সমাস

অর্থগত সম্পর্ক থকা দুটা বা ততোধিক পদৰ মিলনেই সমাস। কেইবাটাও পদৰ দ্বাৰা প্রকাশ কৰা অর্থ সমাসত সংক্ষিপ্তকৈ অথচ শুনিবলৈ শুৱলা কৰি তোলা হয়। সংস্কৃত ভাষাত সমাসৰ প্রয়োগ অত্যন্ত বেছি। অসমীয়া ভাষাও সংস্কৃতৰ পৰা বিকাশ হোৱা ভাষা বাবে সংস্কৃতৰ অনেক সমাসবদ্ধ পদ অসমীয়াত প্রচলন হৈ আহিছে। মনত ৰাখিব সন্ধিত দুটা বর্ণৰ মাজত মিলন হয়; সমাসত দুটা পাৰস্পৰিক অর্থৰ সম্পর্ক থকা পদৰ মাজত মিল হয়। সমাসৰ ধাৰণাৰ বাবে আপুনি 'ব্যস্ত পদ', 'সমস্ত পদ' আৰু 'ব্যাস বাক্য'ৰ ধাৰণা ল'ব লাগিব।

- **ব্যস্ত পদ ঃ** যি কেইটা পদৰ দ্বাৰা সমাস হয় সেই কেইটাক ব্যস্ত পদ বোলে।
- **ব্যাস বাক্য ঃ** যি কেইটা শব্দৰে সমাস ভাঙি দেখুওৱা হয় তাকে ব্যাস বাক্য বোলে।
- **সমস্ত পদ ঃ** সমাস হৈ যি পদ হয় তাকে সমস্ত পদ বোলে।

উদাহৰণস্বৰূপে, ৰাম আৰু লক্ষ্মণ — এইটো এটা ব্যাস বাক্য। এই ব্যাস বাক্যত 'ৰাম' আৰু 'লক্ষ্মণ' — এই দুটা ব্যস্ত পদ। এই ব্যাস বাক্যটো সমাসসিদ্ধ হ'লে হ'ব — ৰামলক্ষ্মণ, — ই সমস্ত পদ।

সমাস মূলতঃ ছয় প্রকাৰ— দ্বন্দ্ব সমাস, বহুব্রীহি সমাস, কর্মধাৰয়, তৎপুৰুষ, দ্বিগু সমাস আৰু অব্যয়ীভাব সমাস। কিন্তু ইয়াৰে কর্মধাৰয় আৰু দ্বিগু সমাস দৰাচলতে তৎপুৰুষ সমাসৰে ভিতৰুৱা।

- **দ্বন্দ্ব সমাস ঃ** দুই বা ততোধিক ভিন্ন অর্থবাচক পদ লগ লাগি হোৱা সমাসকে দ্বন্দ্ব সমাস বোলে। দ্বন্দ্ব সমাস তিনি প্রকাৰৰ — ইতৰেতৰ দ্বন্দ্ব, সমাহাৰ দ্বন্দ্ব আৰু একশেষ দ্বন্দ্ব।
  - ➢ *ইতৰেতৰ ঃ* সমাস হোৱা পদ কেইটাৰ অর্থ একেদৰে থাকি সমাস হ'লে তাক ইতৰেতৰ দ্বন্দ্ব সমাস বোলা হয়। যেনে—

    তেল আৰু পানী = তেল-পানী
    আকাশ আৰু পাতাল = আকাশপাতাল
    মতা আৰু মাইকী = মতামাইকী।
  - ➢ *সমাহাৰ দ্বন্দ্ব ঃ* সমাস হোৱা পদ কেইটাৰ অর্থৰ উপৰি তেনেজাতীয় বস্তুৰ সমষ্টিৰ অর্থ বুজালে সমাহাৰ দ্বন্দ্ব সমাস হয়। যেনে —

    কাঁহী-বাটি = কাঁহী, বাটি, ঘটি, গিলাচ ইত্যাদি বাচন-বর্তনৰ অর্থত।
    বাৰীৰ আম কঁঠাল = বাৰীত হোৱা আম, কঁঠাল, লেতেকু, জলফাই আদি সকলো ফল বুজাইছে।
  - ➢ *একশেষ দ্বন্দ্ব সমাস ঃ* সমাস হোৱা পদ কেইটাৰ প্রথম পদটো মাত্র থাকি বাকীবোৰ লোপ পায় আৰু প্রথম পদটো বহুবচন হয়, তাক একশেষ দ্বন্দ্ব সমাস বোলে। যেনে—

    গকুলহঁতৰ ঘৰ = গকুল, লিলি, মইনা আদি সকলোৰে ঘৰ
    আমি = তুমি আৰু মই
- **বহুব্রীহি সমাস ঃ** যি সমাসত সমস্ত পদে ব্যস্ত পদৰ (সমাস হোৱা পদবিলাকৰ) অর্থ নুবুজাই আন এটা ভিন্ন অর্থ প্রকাশ কৰে তাক বহুব্রীহি সমাস বোলে। যেনে— চক্র আছে পাণিত যাৰ = চক্রপাণি। ইয়াত চক্র লোৱা সকলোৰে বুজোৱা নাই। চক্রপাণি মানে বিষ্ণুকহে বুজাইছে। একেদৰে — অল্প হৈছে মতি যাৰ = অল্পমতি, তিনিটা চকু আছে যাৰ = ত্রিনয়ন (শিব)। একেদৰে, পদ্মনাভ, হাতদীঘল, বাঘেখোৱা, আপোন-পেটা ইত্যাদি। পৰস্পৰ একে কাম কৰা বুজালেও বহুব্রীহি সমাস হয়। যেনে — হাতে হাতে কৰা যি যুঁজ = হতাহতি; একেদৰে, খেদাখেদি, মৰামৰি, দবৰাদবৰি ইত্যাদি।

- **তৎপুৰুষ সমাস ঃ** যি সমাসত দুটা ব্যস্ত পদৰ প্ৰথম পদত থকা ২য়া, ৩য়া, ৪র্থী, ৫মী, ৬ষ্ঠী আৰু ৭মী বিভক্তি লোপ পায় আৰু পাছৰ পদৰ অর্থই প্ৰধানভাৱে প্ৰকাশ পায়, সিয়েই তৎপুৰুষ সমাস। যেনে —

  গুৰুক সেৱা = গুৰুসেৱা (দ্বিতীয়া বিভক্তি -ক লোপ পাইছে।)
  হাতেৰে বোৱা = হাতে-বোৱা (৩য়া বিভক্তি -ৰে লোপ পাইছে।)
  মাতৃলৈ ভক্তি = মাতৃ-ভক্তি (৪র্থী বিভক্তি -লৈ লোপ পাইছে।)
  গছৰ পৰা সৰা = গছ-সৰা (৫মী বিভক্তি -ৰ + পৰা লোপ পাইছে।)
  পুথিৰ ভঁৰাল = পুথিভঁৰাল (৬ষ্ঠী বিভক্তি -ৰ লোপ পাইছে।)
  গছত পকা = গছপকা (৭মী বিভক্তি -ত লোপ পাইছে।)

  তদুপৰি, নোহোৱা (নঞ) অর্থত সমস্তপদৰ আগত অ বা অন্ যোগ হৈও তৎপুৰুষ সমাস হয়। যেনে — ইচ্ছা নোহোৱা = অনিচ্ছা
  ন-উচিত বা উচিত নোহোৱা = অনুচিত, ইত্যাদি

- **কর্মধাৰয় সমাস ঃ** এটা বিশেষ্য আৰু এটা বিশেষণ পদৰ মাজত সমাস হ'লেই সি কর্মধাৰয় সমাস হয়। যেনে— ৰঙা যি ফুল = ৰঙাফুল, একেদৰে, মহাপুৰুষ, মৰুভূমি, ভীমকল, তেজৰঙা, চন্দ্রমুখ, ইত্যাদি।

  দুটা বস্তুৰ মাজত তুলনা হ'লেও কর্মধাৰয় সমাস হয়। ওপৰত দিয়া চন্দ্রমুখ ইয়াৰ উদাহৰণ। চন্দ্রমুখ = চন্দ্রৰ দৰে মুখ যাৰ বা মুখ চন্দ্রৰ নিচিনা

- **দ্বিগু সমাস ঃ** যি সমাসত প্ৰথম পদটো সংখ্যাবাচক আৰু দ্বিতীয় পদটো বিশেষ্য তাকে দ্বিগু সমাস বোলে। যেনে — সাত বিহু = সাতবিহু, দুইপৰ = দুপৰ, পঞ্চ অমৃত = পঞ্চামৃত, একেদৰে, দোমাহী, তিনি ভূৱন = ত্রিভূৱন।

  মন কৰিব, দ্বিগু সমাসত সংখ্যাবাচক পদটোৱে বুজোৱা সংখ্যাৰ সমাহাৰ হ'ব লাগে। কেৱল সংখ্যা বুজালেই সমাস নহয়। যেনে — স্বর্গ, মর্ত্য, পাতাল এই তিনিখন ভূৱন অর্থত তিনিভূৱন সমাস নহয়। কিন্তু ত্রিভূৱন সমাস হয়। কাৰণ, ত্রিভূৱন শব্দই সমস্ত জগত বুজাইছে। একেদৰে, সাতবিহুৱে বহাগ বিহুৰ সাতদিন জোৱা সামগ্রিকতা বুজাইছে।

- **অব্যয়ীভাব সমাস ঃ** অভাৱ, সমীপ (ওচৰত থকা), সাদৃশ্য, ব্যাপ্তি (বিয়পি থকা), বিপৰীত আদি অর্থত অব্যয় পদৰ যোগত যি সমাস হয়, সিয়েই অব্যয়ীভাব সমাস। যেনে—

  কুলৰ সমীপ = উপকূল
  মিলৰ অভাব = অমিল
  কণ্ঠ পর্যন্ত = আকণ্ঠ
  বনৰ সদৃশ = উপবন
  দানৰ বিপৰীত = প্ৰতিদান ইত্যাদি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাস মূলতঃ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৪ ঃ দ্বিগু সমাস কাক বোলে?

.....

প্রশ্ন নং ৫ ঃ তলৰ পদ কেইটা কি সমাস নির্ণয় কৰক—

মতামাইকী, আমি, অনিচ্ছা, উপকূল

.....

৬.৫ বচন

বচন মানে পদৰ সংখ্যাৰ ধাৰণা দিয়া ব্যাকৰণৰ ৰূপ। মানুহজন, এজন মানুহ, মানুহবোৰ— এই তিনিটা পদৰ প্রথম দুটাই এজন মানুহ আৰু তৃতীয় পদে এজনতকৈ বেছি মানুহৰ ধাৰণা দিছে। ইয়েই বচন। অসমীয়া ভাষাত বচন দুটা — একবচন আৰু বহুবচন।

একবচনে কেৱল এটা প্রাণী বা বস্তুৰ ধাৰণা দিয়ে। যেনে —

সি আজি নাহিল

তুমি তাত কি কৰিছা?

চেলিমৰ ঘৰ সৌটো।

মোনাখন মোক দিয়া।

এই বাক্যকেইটাত সি, তুমি, চেলিম, মোনাখন পদে কেৱল একোজন ব্যক্তি বা এটা বস্তু বুজাইছে। গতিকে এই পদবোৰ একবচন।

বহুবচনে একাধিক অর্থাৎ এটাতকৈ অধিক প্রাণী বা বস্তুৰ সংখ্যা বা পৰিমাণৰ ধাৰণা দিয়ে। যেনে—

আমি নাযাওঁ।

সিহঁত আহিব।

গৰুবোৰ চৰি আছে।

মাহঁত গুৱাহাটীলৈ গৈছে।

ওপৰৰ বাক্যকেইটাৰ আমি, সিহঁত, গৰুবোৰ, মাহঁত পদে এটাতকৈ অধিক অর্থ প্রকাশ কৰিছে। গতিকে এই পদবোৰ বহুবচন।

এইবাৰ মন কৰক, মানুহ আহিছে। এই বাক্যটোত 'মানুহ' পদে কোনো বচনৰ ধাৰণা দিয়া নাই। বাক্যটোত মানুহ কেইজন সেই কথা স্পষ্ট নহয়। এনেদৰে বচনৰ ধাৰণা দিব নোৱৰা পদবোৰক বচন নিৰপেক্ষ ৰূপ বোলা হয়।

তালিকা ৬.১ ঃ সর্বনাম পদৰ বচন

সর্বনাম পদৰ বচন

	একবচন	**বহুবচন**
ব্যক্তিবাচক সর্বনাম	মই, তই, তুমি, সি তাই, তেওঁ	আমি, তহঁত, তোমালোক, সিহঁত, তেওঁলোক
নির্দেশবোধক সর্বনাম	এওঁ, এখেত, তেখেত, সেইটো, সৌটো, এইটো	এওঁলোক, এখেতসকল, তেখেতসকল, সেইবোৰ, সৌবোৰ, এইবোৰ

তালিকাখনৰ পৰা নিশ্চয় বুজিব পাৰিছে, সর্বনামপদৰো দুটা বচন আছে। একেদৰে বিশেষণ পদৰো বচন আছে। যেনে— ভালটো/ভালবোৰ।

জানি থোৱা ভাল



বচনবাচক সর্গবোৰে -অনি (ফুলনি) বা -অক (খেতিয়ক) প্রত্যয়ৰ দৰে নতুন শব্দ সাজিব নোৱাৰে। কিন্তু ইহঁতে বিভক্তিৰ দৰে বাক্যৰ গাঁথনিগত অর্থও প্রকাশ নকৰে। ইহঁতে নামপদৰ সংখ্যাৰ ধাৰণা দি নামপদৰ অতিৰিক্ত অর্থ প্রকাশ কৰে।

- **একবচন কৰাৰ উপায় ঃ** নির্দিষ্টতাবাচক প্রত্যয় সংযোগ কৰি একবচনৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে—

  মানুহজন।
  গছজোপা।
  নদীখন। ইত্যাদি।

নামবাচক (সংজ্ঞাবাচক) বিশেষ্য পদ আৰু কেইটামান ব্যক্তিবাচক আৰু নির্দেশবোধক সর্বনামে সদায় একবচন বুজায়। যেনে —

সংজ্ঞাবাচক বিশেষ্য ঃ নবীন ঘৰলৈ গ'ল।
তৰামাই নাই।

ব্যক্তিবাচক সর্বনাম ঃ মই পঢ়িছো।
তুমি পঢ়িছা।
সি/তাই/তেওঁ পঢ়িছে।

নির্দেশবোধক সর্বনাম ঃ ই/এওঁ/এখেত ঘৰতে আছে।

একেদৰে 'এক' সংখ্যা শব্দৰ 'এ' টো নামপদৰ আগত বহুৰাই একবচন সাজিব পাৰি— এনিশা, এদিন, এমাহ, এগিলাচ।

- **বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ**
  - বহুবচনৰ প্রত্যয় (-বোৰ, -বিলাক, -হঁত) নামপদৰ পিছত ব্যৱহাৰ কৰি বহুবচন সাজিব পাৰি। যেনে — মানুহবোৰ, গৰুবোৰ, ঘৰবোৰ, যিবোৰ, সেইবোৰ, মানুহবিলাক, চৰাইবিলাক, চিন্তাবিলাক, ল'ৰাহঁত, মাহঁত, তহঁত, সিহঁত, ইত্যাদি।
  - সমষ্টিবাচক শব্দ, যেনে — সকল, সমাজ, বৃন্দ, গণ, মালা, সোপা, মখা, জাক আদি ব্যৱহাৰ কৰিও বহুবচন সাজিব পাৰি। যেনে— ভকতসকল, সুধীসমাজ, অতিথিবৃন্দ, দৈত্যগণ, পর্বতমালা, ল'ৰামখা, গৰুমখা, ভাতসোপা ইত্যাদি।
  - কিছুমান শব্দই সদায় বহুবচন বুজায়। যেনে — ৰাইজ।
  - সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰি। যেনে — দুজন মানুহ, ছখন কিতাপ, ইত্যাদি।
  - দ্বিৰুক্তিৰ দ্বাৰাও বহুবচনৰ অর্থ প্রকাশ হয়। যেনে — ঘৰে ঘৰে, বাটে বাটে, পকা পকা, বৰ বৰ, সৰু সৰু।

এইখিনিতে এটা কথা উল্লেখ কৰি যোৱা হ'ল যে, যিবোৰ প্রত্যয়ে নামপদৰ সংখ্যাৰ ধাৰণা দিয়ে সেইবোৰক আকৌ বচনবাচক প্রত্যয় বুলিও কোৱা হয়। যেনে — মানুহজন (এজন মানুহ), মানুহবোৰ (বহুত মানুহ)।

৬.৬ লিংগ

লিংগ শব্দৰ অর্থ হৈছে চিহ্ন। যিবোৰ চিহ্নই পুৰুষ-স্ত্রী বা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে, সাধাৰণতে তেনেবোৰ চিহ্নক লিংগ বোলা হয়। যেনে— মানুহজন, মানুহজনী, ল'ৰা, ছোৱালী। এই পদকেইটাত মানুহজন আৰু ল'ৰা পদৰ লগত মানুহজনী আৰু ছোৱালী পদ দুটাৰ অর্থগত পার্থক্য হ'ল প্রথম দুটা পুৰুষবাচক (পুংলিংগ) আৰু দ্বিতীয় দুটা স্ত্রীবাচক (স্ত্রীলিংগ)। অর্থাৎ লিংগৰ পার্থক্য।

সংস্কৃত ভাষাত প্রাণী-অপ্রাণীবাচক সকলো শব্দৰে লিংগ বিচাৰ কৰা হয়। অসমীয়াত কেৱল প্রাণীবাচক শব্দৰহে লিংগ বিচাৰ কৰা হয়।

যিবোৰ প্রত্যয়ৰ দ্বাৰা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে, সেইবোৰক লিংগবাচক প্রত্যয় বোলে। অসমীয়া ভাষাত লিংগ দুই প্রকাৰৰ — পুংলিংগ আৰু স্ত্রীলিংগ। পুৰুষ (বা মতা) বুজোৱা শব্দবোৰেই পুংলিংগবাচক শব্দ আৰু মাইকী বুজোৱা শব্দবোৰেই স্ত্রীলিংগবাচক শব্দ। যেনে — সি, ৰাম, বৰলা, ল'ৰাটো, বৰুৱা ইত্যাদি পুংলিংগবাচক শব্দ। তাই, সীতা, দাৱনী, ছোৱালী, মানুহজনী, বৰুৱানী ইত্যাদি স্ত্রীলিংগবাচক শব্দ।

অসমীয়া ভাষাত পাচোঁটা উপায়েৰে লিংগ নির্ণয় কৰা হয় —

- পুৰুষ আৰু স্ত্রী বুজোৱা ভিন ভিন শব্দ ব্যৱহাৰ কৰি শব্দ এটাৰ লিংগ ভেদ কৰা হয়। যেনে—

পুংলিংগ	স্ত্রীলিংগ
পিতৃ	মাতৃ

দেউতা	মা
ককা	আইতা
দমৰা	দেউৰী, ইত্যাদি

- লিংগ নিৰপেক্ষ ৰূপৰ আগত মতা বা মাইকী আৰু পুৰুষ বা মহিলা শব্দ ব্যৱহাৰ কৰি। যেনে—

পুংলিংগ	স্ত্রীলিংগ
পুৰুষ প্রতিনিধি	মহিলা প্রতিনিধি
মতা মানুহ	মাইকী মানুহ
মতা ম'হ	মাইকী ম'হ

- লিংগ নিৰপেক্ষ ৰূপটোৰ পিছত -টো, -জনী, জন নির্দিষ্টতাবাচক প্রত্যয়কেইটা ব্যৱহাৰ কৰিলে শব্দটোৱে পুংলিংগ বা স্ত্রীলিংগ বুজায়। যেনে—

মানুহজন	মানুহজনী
গৰুটো	গৰুজনী
চৰাইটো	চৰাইজনী

- কিছুমান শব্দ সদায় স্ত্রীলিংগবাচক। যেনে— ৰাংঢালী, ৰচকী, আয়তী, সধৱা, বিধৱা, ধাই, ডাইনী, নামতী, ফুলতী, শিপিনী ইত্যাদি।

  কিছুমান শব্দ সদায় পুংলিংগবাচক। যেনে— দড়ীয়া, গুফীয়া, ভঙুৱা, বৰলা ইত্যাদি।

- অসমীয়া ভাষাত তিনিটা স্ত্রী প্রত্যয় আছে। সেইকেইটা হ'ল— ঈ, -নী, -ৰী। এই প্রত্যয় তিনিটা পুংলিংগবাচক শব্দৰ শেষত যোগ দি স্ত্রীলিংগবাচক শব্দ পাব পাৰি। যেনে—

  -ঈ প্রত্যয়ৰ যোগত-

  কোঁৱৰ + ঈ > কুঁৱৰী

  ভালুক + ঈ > ভালুকী

  ৰূপহ + ঈ > ৰূপহী

  -নী প্রত্যয়ৰ যোগত-

  বৰুৱা + নী > বৰুৱানী

  বাঘ + নী > বাঘিনী

  ফুকন + নী > ফুকননী

  ভূত + নী > ভূতুনী

  -ৰী প্রত্যয়ৰ যোগত-

  কলা + ৰী > কালৰী

  বেঙা + ৰী > বেঙুৰী

  ডেকা + ৰী > ডেকেৰী

- অসমীয়াত কিছুমান নামশব্দত -আ/-আই প্রত্যয় যোগ দি পুংলিংগবাচক শব্দ সাজিব পাৰি।

যেনে—

শাওন + আ > শাওনা

ফাগুন + আ > ফাগুনা

মাঘ + আই > মঘাই

ধন + আই > ধনাই

বগা + আই > বগাই, ইত্যাদি।



জানি থোৱা ভাল

অসমীয়াত প্ৰাণীবাচক শব্দবোৰৰ মাজত এনে কিছুমান শব্দ আছে, যিবোৰে পুৰুষ নে স্ত্ৰী, সেই ভেদ স্পষ্ট কৰি নিদিয়ে। যেনে — মানুহ, গৰু, চৰাই, গঁড় ইত্যাদি। এইবোৰ শব্দক কোনোৱে উভয়লিংগ বোলে। আনহাতে, এনে ধৰণৰ শব্দবোৰকে লিংগ নিৰপেক্ষ ৰূপ বোলা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ বচন মানে কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ লিংগবাচক প্ৰত্যয় কাক বোলে?

.....

.....



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা শুৱলা আৰু সবল কৰিবলৈ সন্ধি আৰু সমাসৰ প্ৰয়োজন আছে। 'সন্ধি' মানে মিলন হোৱা বা লগ হোৱা। দুটা বৰ্ণ বা আখৰৰ মিলনেই সন্ধি। দুটা শব্দ মিলি এটা শব্দ হওঁতে প্ৰথম শব্দৰ শেষ ধ্বনি আৰু দ্বিতীয় শব্দৰ প্ৰথম ধ্বনিৰ মিলন ঘটি যি পৰিৱৰ্তন হয় তাকে সন্ধি বোলা হয়। অসমীয়া ভাষাৰ সন্ধিৰ নিয়ম সংস্কৃততকৈ সুকীয়া। অসমীয়া ভাষাৰ শব্দ-সন্ধি কেৱল বিভক্তি-প্ৰত্যয় সংযোগ হোৱা ক্ষেত্ৰতহে দেখা যায়।
- দুটা বা ততোধিক অৰ্থৰ মিল থকা পদৰ মিলনেই সমাস। কেইবাটাও পদৰ দ্বাৰা প্ৰকাশ কৰা অৰ্থ সমাসত সংক্ষিপ্তকৈ অথচ শুনিবলৈ শুৱলা কৰি তোলা হয়। অসমীয়া ভাষাৰ সমাসৰ বিভিন্ন প্ৰকাৰ আছে। অধ্যায়টোত সেই দিশসমূহ বহলাই আলোচনা কৰা হ'ল।

- বচন মানে পদৰ সংখ্যাৰ ধাৰণা দিয়া ব্যাকৰণৰ ৰূপ। মানুহজন, এজন মানুহ, মানুহবোৰ— এই তিনিটা পদৰ প্ৰথম দুটাই এজন মানুহ আৰু তৃতীয় পদে এজনতকৈ বেছি মানুহৰ ধাৰণা দিছে। ইয়েই বচন। অসমীয়া ভাষাত বচন দুটা — একবচন আৰু বহুবচন। অধ্যায়টোত অসমীয়া ভাষাৰ বচন সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।
- লিংগ শব্দৰ অৰ্থ হৈছে চিহ্ন। যিবোৰ চিহ্নই পুৰুষ-স্ত্ৰী বা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে, সাধাৰণতে তেনেবোৰ চিহ্নক লিংগ বোলা হয়। সংস্কৃত ভাষাত প্ৰাণী-অপ্ৰাণীবাচক সকলো শব্দৰে লিংগ বিচাৰ কৰা হয়। অসমীয়াত কেৱল প্ৰাণীবাচক শব্দৰহে লিংগ বিচাৰ কৰা হয়। অসমীয়া ভাষাত লিংগ দুই প্ৰকাৰৰ — পুংলিংগ আৰু স্ত্ৰীলিংগ। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।



৬.৮ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৫) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৬) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৭) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নামশব্দ বা ধাতুৰ পাছত প্ৰত্যয় বা বিভক্তি যোগ হ'লে নামশব্দ বা ধাতুৰ শেষ ধ্বনি আৰু প্ৰত্যয় বা বিভক্তিৰ প্ৰথম ধ্বনিৰ মাজত অসমীয়া সন্ধি হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰকাৰৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সমাস মূলতঃ ছয় প্ৰকাৰ— দ্বন্দ্ব সমাস, বহুব্ৰীহি সমাস, কৰ্মধাৰয়, তৎপুৰুষ, দ্বিগু সমাস আৰু অব্যয়ীভাব সমাস। কিন্তু ইয়াৰে কৰ্মধাৰয় আৰু দ্বিগু সমাস দৰাচলতে তৎপুৰুষ সমাসৰে ভিতৰুৱা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যি সমাসত প্ৰথম পদটো সংখ্যাবাচক আৰু দ্বিতীয় পদটো বিশেষ্য তাকে দ্বিগু সমাস বোলে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ইতৰেতৰ দ্বন্দ্ব, একশেষ দ্বন্দ্ব সমাস, তৎপুৰুষ সমাস, অব্যয়ীভাব সমাস।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বচন মানে পদৰ সংখ্যাৰ ধাৰণা দিয়া ব্যাকৰণৰ ৰূপ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ প্ৰত্যয়ৰ দ্বাৰা মতা-মাইকীৰ ধাৰণা স্পষ্ট কৰে, সেইবোৰক লিংগবাচক প্ৰত্যয় বোলে।



৬.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ সন্ধি কাক বোলে?

প্ৰশ্ন ২ ঃ সমাস কাক বোলে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ সন্ধিৰ এটা আভাস দিয়ক।

প্ৰশ্ন ২ ঃ সমাস কেই প্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে উদাহৰণ দিয়ক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সন্ধি আৰু সমাসৰ পাৰ্থক্য আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বচন কি? অসমীয়াত বচন কি উপায়েৰে নিৰ্দেশ কৰা হয়?

প্ৰশ্ন ৩ ঃ লিংগ কি? কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ লিংগ পৰিৱৰ্তনৰ নিয়মবোৰ আলোচনা কৰক।

*** ***** ***